জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৩/২০২১

# অসম-বংগ সীমান্তৰ ছাগলীয়াত স্থাপন কৰা ক'ভিড পৰীক্ষা কেন্দ্ৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

# পৰৱৰ্তী ১০ দিনমানৰ ভিতৰত ৰাজ্যৰ ক'ভিড পৰিস্থিতি উন্নত হোৱাৰ ইংগিত পোৱা গৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৫ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ আন্তঃৰাজ্যিক সীমান্তৰ ছাগলীয়াত উপস্থিত হৈ তাত স্থাপন কৰা ক'ভিড পৰীক্ষা কেন্দ্ৰ পৰিদৰ্শন কৰে আৰু বহিঃৰাজ্যৰ পৰা অসমত প্ৰৱেশ কৰা যান-বাহনসমূহৰ চালক তথা যাত্ৰীসকলৰ ক'ভিড পৰীক্ষাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বুজ লয়।

মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনৰ পৰা অসম-বংগ সীমান্তৰে যাত্ৰীৰ আহ-যাহ নিৰীক্ষণ ব্যৱস্থাৰ বুজ লয়। বিগত কিছুদিন ধুবুৰী জিলাত দৈনিক গড়ে ১৫০ গৰাকী লোক ক'ভিডত আক্ৰান্ত হোৱাৰ কথা উল্লেখ কৰি জিলাখনত দৈনিক ৬০০ ৰ পৰা ৭০০ টা আৰটিপিচিআৰ পৰীক্ষা সম্পন্ন কৰিবলৈ প্ৰশাসনক পৰামৰ্শ দিয়ে। পৰ্যায়ক্ৰমে হোম কোৱাৰেণ্টাইন ব্যৱস্থা বন্ধ কৰিবলৈও তেওঁ উপায়ুক্তক পৰামৰ্শ দিয়ে।

অধিক সংক্ৰমণ হোৱা অঞ্চলসমূহত মাইক্ৰ' কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰাৰ পৰামৰ্শ দিয়াৰ লগতে চহৰ অঞ্চলৰ ক'ভিড পকেটসমূহত অধিক হাৰত ভেকচিনেশ্যনৰ নিৰ্দেশ দিয়ে। অহা বছৰৰ ভিতৰত ধুবুৰী মেডিকেল কলেজ মুকলি কৰাৰ ব্যৱস্থা লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীৰ লগতে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, ধুবুৰীৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালককে ধৰি জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পিচতে উক্ত স্থানত উপস্থিত থকা সংবাদ মাধ্যমৰ সদস্যসকলক সম্বোধি তেওঁ কয় যে ৰাজ্যখনৰ ক'ভিড পৰিৱেশ অকল গুৱাহাটী মহানগৰীতহে উন্নত হৈছে, অন্য জিলাসমূহত কম-বেছি পৰিমাণে পৰিস্থিতি অপৰিৱৰ্তনীয় হৈ আছে । গ্ৰামাঞ্চলত বিয়লি ২ বজাৰ পৰাই সান্ধ্য আইন বলৱৎ কৰা হ'ব বুলি মন্তব্য কৰি তেওঁ কয় যে ক'ভিড পৰীক্ষাৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত ৰাজ্যখনত ক'ভিড আক্ৰান্তৰ হাৰ কমিছে যদিও আক্ৰান্তৰ সংখ্যা কমা নাই। অৱশ্যে পৰৱৰ্তী ১০ দিনমানৰ ভিতৰত পৰিস্থিতি উন্নত হোৱাৰ ইংগিত পোৱা গৈছে বুলিও তেওঁ কয় । মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত লগতে সদৰি কৰে যে ৰাজ্যত সম্প্ৰতি অক্সিজেনৰ নাটনি হোৱা নাই। অসমে চুবুৰীয়া কেইবাখনো ৰাজ্যলৈ প্ৰতিদিনে ১৫ মেট্ৰিকটনকৈ অক্সিজেন প্ৰেৰণ কৰি আছে। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিশেষ তৎপৰতাত

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

ৰাজ্যখনে অক্সিজেন এক্সপ্ৰেছযোগে সপ্তাহত দুবাৰ ৮০ মেট্ৰিকটনকৈ মুঠ ১৬০ মেট্ৰিকটন অক্সিজেন লাভ কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে ছাগলীয়া পৰীক্ষণ স্থলীত বিগত ২৪ এপ্ৰিলৰ পৰা আজি পুৰা পৰ্যন্ত ৩৮৩৪ খন বাহনযোগে অসমত প্ৰৱেশ কৰা ১৪,৩০৬ গৰাকী ব্যক্তিৰ ৰেপিড এন্টিজেন পৰীক্ষা সম্পন্ন কৰা হৈছে আৰু ইয়াৰে ৫২৮ গৰাকী ব্যক্তি ক'ভিড পজিটিভ পোৱা গৈছে। চিনাক্ত ৰোগীসকলৰ ভিতৰত ২৭৯ গৰাকী ধুবুৰী জিলাৰ হোৱাৰ বিপৰীতে ১১৭ গৰাকী অসমৰ অন্যান্য জিলাৰ। আনহাতে ১৩২ গৰাকী বহিঃৰাজ্যৰ ৰোগীৰ ভিতৰত ১০৪ গৰাকী পশ্চিমবংগৰ। আক্ৰান্ত ৰোগীসকলৰ ২৭১ গৰাকী হোম আইচ'লেশ্যনত থকাৰ বিপৰীতে ১৫৩ গৰাকীক চিকিৎসালয়ত ভৰ্তি কৰা হৈছে।

**প্ৰঃকুঃব / নিঃকুঃদাঃ**
**২৫/০৫/২০২১**